# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-12-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আন্তঃৰাষ্ট্ৰীয় দিবাংগ দিৱস উপলক্ষে আজি নতুন দিল্লীত ৩৩ গৰাকী ব্যক্তি আৰু প্ৰতিষ্ঠানক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব।
২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে প্ৰযুক্তি আৰু শাসনৰ সংমিশ্ৰণক **প্ৰগতি**য়ে প্ৰতিনিধিত্ব কৰে।
৩। বিদেশ পৰিক্ৰমা মন্ত্ৰী এছ্ জয় শংকৰে বিনিয়োগকে ধৰি অৰ্থনৈতিক সিদ্ধান্তসমূহত ৰাষ্ট্ৰীয় নিৰাপত্তাক গুৰুত্ব দিবলৈ আহ্বান জনাইছে।
৪। দেশৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগ যোৱা বৰ্ষৰ একেখিনি সময়ৰ তুলনাত চলিত বৰ্ষৰ এপ্ৰিলৰ পৰা ছেপ্তেম্বৰ মাহত ৪৫ শতাংশ বৃদ্ধি পাই ২৯ বিলিয়ন ডলাৰ হৈছে।

*আৰু*

৫। ওমানৰ মাস্কটত চলি থকা পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেল আজি ভাৰত আৰু মালয়েছিয়াৰ মাজত অনুষ্ঠিত হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আন্তঃৰাষ্ট্ৰীয় দিবাংগ দিৱস উপলক্ষে দিবাংগ লোকসকলৰ সবলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ৩৩ গৰাকী ব্যক্তি আৰু প্ৰতিষ্ঠানক আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব। অনুষ্ঠানত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰে দিবাংগসকলৰ জীৱন সুগম কৰি তোলাৰ উদ্দেশ্যে গ্ৰহণ কৰা ১৬টা বিশেষ পদক্ষেপৰ কথা ঘোষণা কৰিব। সামাজিক পৰিৱৰ্তনক উৎসাহিত কৰাৰ উদ্দেশ্যে চৰকাৰী আৰু বে-চৰকাৰী সংস্থাৰ প্ৰতিনিধি, বিশেষজ্ঞ আৰু বিভিন্ন ক্ষেত্ৰৰ হিতাধিকাৰীক একত্ৰিত কৰাই এই দিৱসৰ মূল উদ্দেশ্যে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৫ দিনীয়া ভ্ৰমণসূচীৰে ওড়িশালৈ যাব। ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতিয়ে পণ্ডিত ৰঘুনাথ মুৰ্মুৰ নতুন প্ৰতিমূৰ্তি **উন্মোচন** কৰাৰ লগতে ভূৱনেশ্বৰত থকা আদিম ওৱাৰ জাৰপা জাহেৰলৈও যাব। শ্ৰীমতী মুৰ্মুৱে পুৰীৰ জগন্নাথ মন্দিৰত পূজা-অৰ্চনা আগবঢ়াব। তেওঁ গোপবন্ধু আয়ুৰ্বেদ মহাবিদ্যালয় হীৰক জয়ন্তী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে নৌ সেনা দিৱস অনুষ্ঠানতো ভাগ ল'ব। ৫ ডিচেম্বৰত শ্ৰীমতী মুৰ্মুৱে ভূৱনেশ্বৰত থকা ওড়িশা কৃষি আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ ৪০ সংখ্যক দীক্ষান্ত সমাৰোহত উপস্থিত থাকিব। তেওঁ ভূৱনেশ্বৰত এটা নতুন আদালত চৌহদো মুকলি কৰিব।

ভ্ৰমণ কাৰ্যসূচীৰ অংশহিচাপে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ৰাইৰংপুৰত শিক্ষাৰ্থী, শিক্ষক আৰু গাঁওবাসীৰ সৈতে মত বিনিময় কৰিব। ভ্ৰমণৰ শেষৰ দিনা ৰাষ্ট্ৰপতিয়ে বানগিৰিপচি- গোৰুমাহিচানি, বুৰামাৰা-চাকুলিয়া আৰু বাদামপাহাৰ-কেন্দুজহৰগৰ ৰে'লপথ, ৰাইৰংপুৰৰ জনজাতি, গৱেষণা আৰু বিকাশ কেন্দ্ৰ, দাণ্ডবোজ বিমান বন্দৰকে ধৰি কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

00000

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি এদিনীয়া ভ্ৰমণসূচীৰে মুম্বাইলৈ যাব। তেওঁ কেন্দ্ৰীয় কপাহ প্ৰযুক্তি গৱেষণা প্ৰতিষ্ঠানৰ ১০০ বছৰীয়া প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ৰামনাথ ঠাকুৰ মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আন প্ৰতিনিধিসকলো উপস্থিত থাকিব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সক্ৰিয় শাসন ব্যৱস্থা আৰু চৰকাৰৰ সকলো ধৰণৰ কাম-কাজ সময়মতে ৰূপায়ণৰ লগতে প্ৰযুক্তি আৰু শাসনৰ সংমিশ্ৰণক **প্ৰগতি**য়ে প্ৰতিনিধিত্ব কৰে বুলি প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে অক্সফ'ৰ্ডৰ ছেইড বিজনেছ স্কুল আৰু গেট ফাউণ্ডেচন **প্ৰগতি**ৰ ফলপ্ৰসূতাক স্বীকৃতি দিয়াৰ বাবেও আনন্দ প্ৰকাশ কৰে। উল্লেখযোগ্য যে, IIM বাংগালুৰুত কালি প্ৰকাশিত অক্সফৰ্ডৰ ছেইড বিজনেছ স্কুলৰ এখন প্ৰতিবেদনত ২০১৫ চনত আৰম্ভ হোৱা **প্ৰগতি**য়ে ২০৫ বিলিয়ন ডলাৰৰ ৩৪০টা প্ৰকল্প ত্বৰান্বিত কৰাত সহায় কৰিছে বুলি প্ৰকাশ কৰিছে।। **প্ৰগতি**য়ে ৫০ হাজাৰ কিলোমিটাৰৰ নতুন ৰাষ্ট্ৰীয় ঘাইপথ আৰু বিমান বন্দৰৰ দুগুণ বৃদ্ধি কৰাৰ লগতে অভূতপূৰ্ব আন্তঃগাঁথনি উন্নয়নত সহায় কৰিছে বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে। উল্লেখযোগ্য যে, আন্তঃগাঁথনি উন্নয়নৰ বাবে ব্যয় কৰা প্ৰতিটো টকাৰ বিপৰীতে জি ডি পি ২ দশমিক ৫ৰ পৰা ৩ দশমিক ৫ টকালৈ বৃদ্ধি হোৱাৰ কথাও প্ৰতিবেদনত প্ৰকাশ পাইছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চণ্ডীগড়ত তিনিখন পৰিৱৰ্তনকামী নতুন ফৌজদাৰী আইন ক্ৰমে- ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মৰ সফল ৰূপায়ণ তথা অগ্ৰগতিৰ স্থিতিৰ বিষয়ে দেশবাসীক অৱগত কৰিব। চলিত বৰ্ষৰ ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱা এই নতুন আইন কেইখনৰ মাধ্যমেৰে দেশৰ আইন ব্যৱস্থাক অধিক স্বচ্ছ, কাৰ্যকৰী আৰু সমসাময়িক সমাজৰ প্ৰয়োজনীয়তাৰ অনুকূল কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। নিৰাপদ সমাজ, উন্নত ভাৰত ঃ শাস্তিৰ পৰা ন্যায়লৈ- শীৰ্ষক বিষয়বস্তুৰ এই কাৰ্যসূচীত আইনসমূহৰ ব্যৱহাৰিক প্ৰয়োগ প্ৰদৰ্শন কৰাৰ লগতে ন্যায় ব্যৱস্থাক দিয়া নতুন ৰূপ উপস্থাপন কৰা হ'ব।

00000

বিদেশ পৰিক্ৰমা মন্ত্ৰী এছ্ জয় শংকৰে বিনিয়োগকে ধৰি অৰ্থনৈতিক সিদ্ধান্তসমূহত ৰাষ্ট্ৰীয় নিৰাপত্তাক গুৰুত্ব দিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত CII অংশীদাৰিত্ব বৈঠকত ভাষণ দি তেওঁ কয়, যে আমি ক্ৰমান্বয়ে অস্ত্ৰ-শস্ত্ৰেৰে সবলীকৰণ নহলেও কম সময়ত অধিক লাভাৱান হোৱাৰ মানসিকতাৰ যুগত বাস কৰিবলৈ লৈছো। সেইবাবে নীতি নিৰ্ধাৰকসকলে অৰ্থনৈতিক সিদ্ধান্তৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ হিতৰ বিষয়টোক গুৰুত্ব দিয়া উচিত বুলি তেওঁ মন্তব্য কৰে। ড০ জয় শংকৰে কয়, যে বিশ্ব বাণিজ্য, যোগান শৃংখলাৰ প্ৰকৃতি এনে ধৰণৰ যে,

গতানুগতিক সতৰ্কতা পৰ্যাপ্ত নহয়; সেয়েহে বাণিজ্যৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰাৰ প্ৰয়োজন। মন্ত্ৰীগৰাকীয়ে কয়, যে সমগ্ৰ বিশ্বই সম্প্ৰতি এই প্ৰবৃত্তি অৱলম্বন কৰিছে আৰু ভাৰতে ইয়াক আওকান কৰাটো বিপদজ্জনক হ'ব পাৰে। ড০ জয়শংকৰে লগতে বিশ্বাসযোগ্য অংশীদাৰৰ সৈতেহে সহযোগিতা স্থাপনৰ পৰামৰ্শ আগবঢ়ায়।

০০০০০

দেশৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগ যোৱা বৰ্ষৰ একেখিনি সময়ৰ তুলনাত চলিত বৰ্ষৰ এপ্ৰিলৰ পৰা ছেপ্তেম্বৰ মাহত ৪৫ শতাংশ বৃদ্ধি পাই ২৯ বিলিয়ন ডলাৰ হৈছে। উদ্যোগ আৰু আভ্যন্তৰীণ বাণিজ্য প্ৰসাৰ বিভাগ চমুকৈ DPIITৰ তথ্য অনুসৰি কম্পিউটাৰ ছফ্‌টৱেৰ আৰু হাৰ্ডৱেৰ, টেলিকম, অটোমোবাইল, ঔষধ আৰু ৰাসায়নিক সামগ্ৰীৰ খণ্ডসমূহ প্ৰত্যক্ষ বিনিয়োগৰ দ্বাৰা লাভান্বিত হৈছে। প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ প্ৰৱাহৰ দ্বাৰা উন্নত প্ৰযুক্তিৰ উপৰি অৰ্থনীতিত অধিক বিনিয়োগ আৰু নিযুক্তিৰ সৃষ্টি হয়। উল্লেখযোগ্য যে, যোৱাটো বিত্তীয় বৰ্ষৰ জুলাইৰ পৰা ছেপ্তেম্বৰলৈকে দ্বিতীয় ত্ৰিমাসিকৰ তুলনাত চলিত বিত্তীয় বৰ্ষত প্ৰত্যক্ষ বিদেশী বিনিয়োগ ৪৩ শতাংশ বৃদ্ধি হৈ ১৩ দশমিক ৬ বিলিয়ন ডলাৰ হৈছে।

০০০০০

NCCৰ কেডেটসকলক তেওঁলোকৰ একাডেমীত প্ৰশিক্ষণ প্ৰদান কৰিবলৈ প্ৰায় ২০০০ গৰাকী প্ৰাক্তন সেনা জোৱান নিযুক্তি দিয়া হ'ব। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা এক সাক্ষাৎকাৰত নেচনেল কেডেট কৰ্পছৰ সঞ্চালক প্ৰধান লেফটেণেণ্ট জেনেৰেল গুৰবীৰ পাল সিঙে কয়, যে NCCৰ কেডেটসকলে উৎসাহেৰে অগ্নিবীৰ আঁচনিত অংশ লৈছে। তেওঁ লগতে সেনা বাহিনীত যোগদান কৰিব বিচৰা কেডেটসকলক প্ৰশিক্ষণ দিয়াৰ কথাও উল্লেখ কৰে। শ্ৰীসিঙে প্ৰশিক্ষণৰ সময়ত কেডেটসকলক উদ্ভাৱনীমূলক আৰু উদীয়মান প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিব পৰাকৈ প্ৰশিক্ষণ প্ৰদান কৰা হয় বুলিও উল্লেখ কৰে। উল্লেখযোগ্য যে, NCCৰ কেডেটসকলে পৰিৱেশ সংৰক্ষণৰ লগতে চলিত বৰ্ষৰ ৫ জুনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশজুৰি আৰম্ভ কৰা **এক পেৰ মা কে নাম** শীৰ্ষক বৃক্ষৰোপণ কাৰ্যসূচীতো সক্ৰিয়ৰূপে অংশগ্ৰহণ কৰাৰ কথাও সঞ্চালকপ্ৰধানগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৱেবছাইট www.newsonair.gov.in আৰু আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০

ওমানৰ মাস্কটত চলি থকা পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেল আজি ভাৰত আৰু মালয়েছিয়াৰ মাজত অনুষ্ঠিত হ'ব। মাস্কটৰ হকী ওমান ষ্টেডিয়ামত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। যোৱা দেওবাৰে অনুষ্ঠিত প্ৰতিযোগিতাৰ পুল-এৰ এখন খেলত ভাৰতে দক্ষিণ

কোৰিয়াক ৮-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ অশ্বদ্বীপ সিঙে তিনিটা গ'ল দি হেট্ৰিক কৰাৰ বিপৰীতে অৰিজিৎ সিঙে দুটা গ'ল দিয়ে। গুৰজ্যোৎ সিং, ৰোচন কুজুৰ আৰু ৰোহিতে এটাকৈ গ'ল দিয়ে। আনহাতে কোৰিয়াৰ হৈ টেহিয়ন কিমে একমাত্ৰ গলটো দিয়ে। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেল আজি পাকিস্তান আৰু জাপানৰ মাজত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেল কাইলৈ অনুষ্ঠিত হ'ব।

ooooo

প্ৰ' কাবাডী লীগৰ অন্তিম পৰ্যায়ৰ খেলসমূহ আজি পুনেত আৰম্ভ হ'ব। এলিমেনটৰ ছেমি ফাইনেলকে ধৰি প্লে অফৰ খেলসমূহ ২৬ আৰু ২৭ ডিতেম্বৰত অনুষ্ঠিত হ'ব। ২৯ ডিচেম্বৰত ফাইনেল খেল অনুষ্ঠিত হ'ব। চূড়ান্ত লীগৰ প্ৰথম দিনা আজি বেংগালুৰু বুলছে আজি গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে খেলিব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। নিশা ৯ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত পুনেৰী পলটনে ইউ মুম্বাৰ বিৰুদ্ধে খেলিব।

ooooo

**সমাপ্ত**